**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-10-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

১। ইউ পি এছ চিৰ ১০০ বছৰৰো অধিক সময়জোৰা যাত্ৰাত প্ৰজন্ম, চৰকাৰ, প্ৰযুক্তি আৰু পাঠ্যক্ৰম সলনি হৈছে যদিও সংস্থাটোৰ প্ৰতি আস্থা পূৰ্বৰ দৰে অক্ষুণ্ণ আছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে।

২। ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰীয়ে ইজৰাইল অভিমুখী ফ্লাই ডুবাইৰ এখন বিমান অপহৰণৰ চেষ্টা ব্যৰ্থ কৰা ভাৰতীয় পাইলট কেপ্তেইন স্মিথ মাচ্চাৰক প্ৰশংসা কৰিছে।

৩। কেন্দ্ৰীয় মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ অভিযান এদিনীয়া নহয় বৰং দৈনিক দায়বদ্ধতা হোৱা উচিত বুলি মন্তব্য কৰিছে।

৪। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে পৰিচ্ছন্নতাই সেৱা কাৰ্য্যসূচীৰ অধীনত আজি নতুন দিল্লীৰ কৰ্তব্য ভৱনৰ সমীপত এদিন, এঘণ্টা, একেলগে শ্ৰমদান কাৰ্য্যসূচীৰ আয়োজন কৰে।

*আৰু*

৫। এছিয়ান গেমছৰ দ্বাদশ দিনটোত ভাৰতে আৰু অধিক পদক জয়ৰ আশাৰে আজি কেইবাটাও শিতানত অংশগ্ৰহণ কৰিছে।

oooooooo

কেন্দ্ৰীয় লোকসেৱা আয়োগ ইউ পি এছ চিৰ ১০০ বছৰীয়া যাত্ৰাত চৰকাৰ, প্ৰযুক্তি আৰু পাঠ্য বিষয়ৰ পৰিৱৰ্তন হ'লেও ভাৰতীয় লোকৰ এই প্ৰতিষ্ঠানটোৰ প্ৰতি বিশ্বাসযোগ্যতা অটুত আছে। আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত কেন্দ্ৰীয় লোকসেৱা আয়োগৰ শতবৰ্ষ উদ্‌যাপন অনুষ্ঠানত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এইদৰে কয়। যুৱ প্ৰজন্মক জনসেৱাৰ ক্ষেত্ৰখনলৈ অহাৰ প্ৰয়োজনীয়তা আছে বুলি উল্লেখ কৰি তেওঁ কয়, যে তেওঁলোক কেৱল কাৰ্যালয়তে আৱদ্ধ হৈ নাথাকি জনসেৱাত নিয়োজিত হ'ব লাগে। শ্ৰীমোদীয়ে লগতে জোৰ দি কয়, যে ২১ শতিকাত ভাৰতে এটা নতুন কৰ্মসংস্কৃতিৰে আগবাঢ়িছে আৰু জনসাধাৰণকেন্দ্ৰিক, সক্ৰিয়তা আৰু সুপ্ৰশাসনৰ নীতি ইয়াৰ মাজত নিহিত হৈ আছে।

ব্যক্তিগত, ৰাজহুৱা অভিযোগ আৰু পেন্সন বিভাগৰ কেন্দ্ৰীয় মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে কয়, যে লোকসেৱা আয়োগ বিগত ১২ বছৰত নতুন ৰূপত উদ্ভাসিত হৈ উঠিছে আৰু বহু নতুন দিশ সংযুক্ত কৰিছে। এই সময়ছোৱাত লোকসেৱা আয়োগৰ জৰিয়তে চৰকাৰে ৬৫ হাজাৰ নিযুক্তিপত্ৰ হাতত তুলি দিবলৈ সমৰ্থ হৈছে।

উল্লেখযোগ্য যে ১৯২৬ চনত কেন্দ্ৰীয় লোকসেৱা আয়োগ প্ৰতিষ্ঠা হোৱাৰ এশ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে যোৱা বছৰৰ ১ অক্টোবৰৰ পৰা আৰম্ভ হোৱা বছৰজোৰা উদযাপনৰ আজি সামৰণি অনুষ্ঠানত প্ৰধানমন্ত্ৰী মোদীয়ে স্মাৰক মুদ্ৰা, স্মাৰক ডাক টিকট আৰু 100 Landmark Judgements-Shaping the Policies of UPSC and Public Service Commissions in India'

শীৰ্ষক এখন গ্ৰন্থ উন্মোচন কৰে। এই অনুষ্ঠানত ৰাজ্যিক লোকসেৱা আয়োগৰ অধ্যক্ষ, সদস্য, জ্যেষ্ঠ চৰকাৰী বিষয়া, শিক্ষাবিদ, কেন্দ্ৰীয় লোকসেৱা আয়োগৰ বিষয়া আৰু অন্যান্য লোকসকলে অংশগ্ৰহণ কৰে।

00000000

ইজৰাইল অভিমুখী ফ্লাই ডুবাইৰ এখন বিমান অপহৰণৰ চেষ্টা ব্যৰ্থ কৰা ভাৰতীয় পাইলট কেপ্টেইন স্মিত মাচ্চাৰক ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে প্ৰশংসা কৰিছে। ১৭৪ গৰাকী যাত্ৰী কঢ়িয়াই নিয়া বিমানখন অপহৰণৰ অপচেষ্টা চলাই কেপ্টেইন স্মিতক চুৰিৰে আঘাট হানিছিল। আহত হোৱাৰ পাছতো ভাৰতীয় সাহসী পাইলট গৰাকীয়ে ককপিটৰ দুৱাৰখন মুকলি কৰি দিয়ে। ইয়াৰ পাছতে বিমানৰ চালক দলৰ অন্য সদস্য সকলে সহ পাইলটজনক কৰায়ত্ত কৰি বিমানখন নিয়ন্ত্ৰণলৈ আনে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে এটা বাৰ্তাত কেপ্টেইন স্মিতৰ বাবে দেশবাসীয়ে গৌৰৱ অনুভৱ কৰিছে বুলি মন্তব্য কৰিছে। তেওঁ কয় যে, স্মিতৰ সাহস আৰু উপস্থিত বুদ্ধিয়ে সকলোকে অনুপ্ৰাণিত কৰিছে। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনেও কেপ্টেইন গৰাকীৰ এই সাহসৰ শলাগ লয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে শতাধিক লোকৰ জীৱন ৰক্ষা কৰা কেপ্টেইন গৰাকীক আন্তৰিকতাৰে প্ৰশংসা কৰিছে। ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেটান্যাহু আৰু আমেৰিকাৰ ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পেও কেপ্টেইন স্মিতৰ সাহসিকতাক প্ৰশংসা কৰি তেওঁক প্ৰকৃত নায়ক আখ্যা দিছে।

00000000

আজি ৰাষ্ট্ৰীয় স্বেচ্ছামূলক ৰক্তদান দিৱস। ৰক্তদানৰ প্ৰতি ব্যাপক সজাগতা সৃষ্টিৰ লগতে ৰক্তদানৰ গুৰুত্ব সন্দৰ্ভত জনসাধাৰণক সচেতন কৰিবলৈ ১ অক্টোবৰত এই দিৱস পালন কৰা হয়। ১৯৭৫ চনত INDIAN SOCIETY OF BLOOD TRANSFUSION AND IMMUNOHEMATOLOGY উদ্যোগত এই দিৱস উদযাপনৰ আৰম্ভণি হৈছিল। জৰুৰী অৱস্থাত ৰোগীৰ জীৱন ৰক্ষা কৰিব পৰাকৈ প্ৰতিগৰাকী সুস্থ ব্যক্তিয়ে যাতে নিৰ্ভয়ে ৰক্তদান কৰিব পাৰে তাৰবাবে অৱগত কৰিবলৈ এই দিনটোত বিভিন্ন কাৰ্যসূচী ৰূপায়ন কৰা হয়। তদুপৰি ৰক্তৰ জটিল ৰোগত ভূগি থকা লোকসকলৰ বাবে ৰক্তদানৰ গুৰুত্ব সম্পৰ্কে জনসাধাৰণক সজাগ কৰা হয়। অসমৰ বিভিন্ন স্থানত স্বেচ্ছাসেৱী ৰক্তদান সংস্থা, ব্লাড বেংক আৰু বিভিন্ন চিকিৎসা সংস্থাৰ উদ্যোগত এই দিৱসৰ কাৰ্য্যসূচী লোৱা হৈছে। গোৱালপাৰা চহৰৰ এখন হাস্পাতালটো এই উপলক্ষে সজাগতামূলক সভা, শোভাযাত্ৰা আৰু ৰক্তদান শিবিৰ মুকলি কৰা হৈছে। এই শিবিৰত চিকিৎসক, নাৰ্চ আৰু গোৱালপাৰাৰ স্বেচ্ছাসেৱী সংস্থাসমূহৰ সদস্যই অংশ লৈছে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনসেৱাৰ জৰিয়তে দেশ সেৱাৰ লক্ষ্যৰে ৰাজহুৱা সেৱাৰ ক্ষেত্ৰত ২৫ বছৰ সফলতাৰে সম্পূৰ্ণ কৰিছে আৰু সম্পূৰ্ণ দায়বদ্ধতাৰে এই সেৱা অব্যাহত ৰাখিছে। সেৱা আৰু সুশাসনৰ লক্ষ্যৰে চৰকাৰে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ বাবে নিৰন্তৰ কাম কৰি আছে। সৰ্বাত্মক বিকাশ আৰু সামাজিক সবলীকৰণৰ জৰিয়তে চৰকাৰৰ এই নিষ্ঠাপূৰ্ণ সেৱাই জনসাধাৰণৰ জীৱনত ৰূপান্তৰ সাধন কৰিবলৈ সমৰ্থ হৈছে। এই শৃংখলাত আজি ২০১৮ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসমত মুকলি কৰা বগীবিল দলঙে কিদৰে পৰিবহণ আৰু যাতায়াতৰ ক্ষেত্ৰত নতুন দিগন্তৰ সূচনা কৰিছে এই বিষয়ে আলোকপাত কৰা হৈছে।

বগীবিল দলংখনে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ ধেমাজি জিলাক দক্ষিণপাৰৰ ডিব্ৰুগড়ৰ সৈতে সংযোগ কৰিছে। এই দলংখনে উজনি অসমৰ আৰ্থসামাজিক, ঔদ্যোগিক, জনস্বাস্থ্য আৰু শৈক্ষিক ক্ষেত্ৰত আমূল পৰিৱৰ্তন আনিছে। ডিব্ৰুগড় উজনি অসমৰ এখন মুখ্য চহৰ আৰু চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশকে ধৰি অঞ্চলটোৰ শিক্ষা তথা চিকিৎসাৰ কেন্দ্ৰ। ৪ দশমিক ৯-৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই দুখলপীয়া দলংখনে ভাৰতৰ ভিতৰতে দীৰ্ঘতম দলং হিচাপে স্বীকৃতি লাভ কৰিছে। ১৯৯৭ চনত তেতিয়াৰ প্ৰধানমন্ত্ৰী এইচ ডি দেৱগৌড়াই এই দলংখনৰ আধাৰশিলা স্থাপন কৰিছিল যদিও ইয়াৰ নিৰ্মাণকাৰ্য স্থবিৰ হৈ আছিল। এন ডি এ চৰকাৰৰ দিনত দলংখনৰ নিৰ্মাণকাৰ্য দ্ৰুতগতিত আগবাঢ়ে আৰু বহু প্ৰত্যাশিত এই প্ৰকল্পটোৰ কাম সম্পূৰ্ণ হয়। অঞ্চলটোৰ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ পৰা অহা লোকসকলে এতিয়া চিকিৎসা, শিক্ষা আৰু অন্যান্য জৰুৰীকালীন প্ৰয়োজনৰ বাবে অতি কম সময়ৰ ভিতৰতে ডিব্ৰুগড়ত উপস্থিত হ'ব পাৰে। ২০১৮ চনত এই দলংখন মুকলি কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ইয়াক অঞ্চলটোৰ জনসাধাৰণৰ জীৱনৰেখা বুলি অভিহিত কৰিছিল।

(বাইট) (মোডী)

০০০০০০০০

আইন আৰু ন্যায় মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে নতুন দিল্লীৰ ছফদৰজং সমাধিত আয়োজিত পৰিচ্ছন্নতাই সেৱা অভিযান ২০২৬ৰ কাৰ্য্যসূচীত অংশগ্ৰহণ কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত দিয়া ভাষণত শ্ৰী মেঘৱালে কয় যে, পৰিস্কাৰ-পৰিচ্ছন্নতাৰ অভিযান এদিনীয়া নহয় বৰং দৈনিক দায়বদ্ধতা হোৱা উচিত। তেওঁ কয় যে, পৰিচ্ছন্নতাৰ অভ্যাস নিজৰ বাসগৃহৰ পৰা আৰম্ভ হৈ কাৰ্য্যালয়, চৌপাশ আৰু ৰাজহুৱা স্থানলৈ সম্প্ৰসাৰিত হোৱা উচিত। ২০১৪ চনৰ পৰা দেশৰ ৰে'ল ষ্টেচন আৰু ৰাজহুৱা স্থানকে ধৰি বিভিন্ন ঠাই পৰিস্কাৰ হৈছে বুলি তেওঁ মন্তব্য কৰে। এই প্ৰসংগত মন্ত্ৰীগৰাকীয়ে মহাত্মা গান্ধীয়ে অনাময় ব্যৱস্থাৰ ওপৰত গুৰুত্ব আৰোপ কৰি জনসাধাৰণক পৰিচ্ছন্নতাক ব্যক্তিগত অভ্যাস হিচাপে গ্ৰহণ কৰিবলৈ জনোৱা আহ্বানৰ কথা উল্লেখ কৰে। পৰিস্কাৰ-পৰিচ্ছন্নতাৰ বাৰ্তা প্ৰচাৰ কৰাৰ ক্ষেত্ৰত তেওঁ শিশু আৰু যুৱ প্ৰজন্মৰ ভূমিকাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

(বাইট) (মেঘৱাল)

উল্লেখযোগ্য যে, স্বচ্ছতাৰ সমভাগী, স্বচ্ছ ভাৰত, বিকশিত ভাৰত বিষয়বস্তুৰে এই স্বচ্ছতা অভিযান অহা ১৭ অক্টোবৰলৈ ৰূপায়ন কৰা হ'ব।

০০০০০০০০

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে পৰিচ্ছন্নতাই সেৱা কাৰ্য্যসূচীৰ অধীনত আজি নতুন দিল্লীৰ কৰ্তব্য ভৱনৰ সমীপত এদিন, এঘণ্টা, একেলগে শ্ৰমদান কাৰ্য্যসূচীৰ আয়োজন কৰে। ভাৰতীয় চিকিৎসা গৱেষণা পৰিষদ আই চি এম আৰৰ সঞ্চালক প্ৰধান তথা স্বাস্থ্য গৱেষণা বিভাগৰ সচিব ড০ ৰাজীৱ বেহেলৰ লগতে বিভাগটোৰ অন্যান্য বিষয়াসকলে এই কাৰ্য্যসূচীত অংশগ্ৰহণ কৰে। অনুষ্ঠানত দিয়া ভাষণত ড০ বেহেলে পৰিচ্ছন্নতা সামূহিক তথা দীৰ্ঘস্থায়ী প্ৰচেষ্টা হিচাপে গ্ৰহণৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। তেওঁ বিষয়াসকলৰ লগতে সাধাৰণ নাগৰিক সকলক চৌপাশৰ পৰিৱেশ স্বাস্থ্যসন্মত আৰু পৰিচ্ছন্ন কৰি ৰখাৰ বাবে বৰঙণি যোগাবলৈ আহ্বান জনায়।

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয় সূত্ৰই প্ৰকাশ কৰা মতে, পৰিচ্ছন্নতাই সেৱা অভিযান ২০২৬ৰ অধীনত চলোৱা এই চাফাই কাৰ্য্যসূচীৰ জৰিয়তে জন অংশগ্ৰহণ বৃদ্ধি কৰি নাগৰিক সকলক পৰিস্কাৰ-

পৰিচ্ছন্নতা ৰক্ষাৰ ক্ষেত্ৰত সক্ৰিয়ভাৱে ভাগ ল'বলৈ উৎসাহিত কৰাৰ প্ৰয়াস কৰা হৈছে। দীৰ্ঘস্থায়ী পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ অভ্যাস কোনো এটা নিৰ্দিষ্ট প্ৰতিষ্ঠানৰ দায়বদ্ধতা নহয়, বৰং সামূহিক দায়িত্ব বুলি এই অভিযানে সোঁৱৰাই দিয়ে। মন্ত্ৰালয়ে দীৰ্ঘস্থায়ী সজাগতা, দায়বদ্ধ আৱৰ্জনা ব্যৱস্থাপনা আৰু ৰাজহুৱা স্থানসমূহ পৰিষ্কাৰ কৰি ৰখাৰ ক্ষেত্ৰত জনসাধাৰণৰ সামূহিক দায়বদ্ধতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

০০০০০০০০

এছিয়ান গেমছ ২০২৬ দ্বাদশ দিনটোত ভাৰতে আৰু অধিক পদক জয়ৰ আশাৰে আজি কেইবাটাও শিতানত অংশগ্ৰহণ কৰিছে। এছিয়ান গেমছৰ নৌকা চালনাত ভাৰতে প্ৰথমটো পদক অৰ্জন কৰিছে। মনু ফ্ৰান্সিছ আৰু প্ৰিন্স কুৰিছিংকল নোবেলে পুৰুষৰ স্কিফ ইভেণ্টত ৰূপৰ পদক লাভ কৰে। ইতিমধ্যে সমাপ্ত হোৱা ৯ খন প্ৰতিযোগিতাত ফ্ৰান্সিছ আৰু নোবেলে উৎকৃষ্ট ধাৰাবাহিকতা প্ৰদৰ্শন কৰি মুঠ ২৩ পইণ্ট অৰ্জন কৰে আৰু এখন প্ৰতিযোগিতাত জয়লাভ কৰি ৰূপৰ পদক হস্তগত কৰিবলৈ সমৰ্থ হয়। আনহাতে স্কোৱাছত ভাৰতীয় মহিলা দলে ছেমি ফাইনেলত হংকঙৰ হাতত ১-২ৰ ব্যৱধানত পৰাভূত হৈ ব্ৰঞ্জৰ পদক লাভ কৰে। চেপাকটাক্ৰ'ত ভাৰতৰ পুৰুষ দলে কোৱাড্ৰেন ইভেণ্টত ভিয়েটনামক ২-০ ফলাফলত হৰুৱাই ছেমি ফাইনেলত প্ৰৱেশ কৰে। ভাৰতে সম্প্ৰতি ৬২টা পদক লাভ কৰিছে। ইয়াৰে ১০টা সোণ, ২২টা ৰূপ আৰু ৩০টা ব্ৰঞ্জৰ পদক।

পুৰুষৰ হকী ছেমি ফাইনেলত ভাৰত পাকিস্তানৰ মুখামুখি হ'ব। ইপিনে ভাৰতীয় মহিলা হকী দলে ইতিমধ্যে চীনৰ বিৰুদ্ধে স্বৰ্ণ পদকৰ খেলৰ বাবে যোগ্যতা অৰ্জন কৰিছে। ক্ৰীড়া প্ৰতিযোগিতাখনৰ ক্ৰিকেট ছেমি ফাইনেলত শ্ৰেয়াছ আয়াৰৰ নেতৃত্বত ভাৰতীয় দলে শ্ৰীলংকাৰ বিৰুদ্ধে প্ৰত্যাহ্বান জনাব। ভাৰতৰ অন্য এথলিটসকলে শ্যুটিং, জুডো, ভলীবল, চাইক্লিং, গল্ফ, কেন' নাও প্ৰতিযোগিতা, টাইকোৱানডো, টেনিছ, কিক ভলীবল, ৰাগবী ছেভেনছ আৰু স্পৰ্ট ক্লাইম্বিং আদি বিভিন্ন শিতানৰ প্ৰতিযোগিতাত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাৰ লগতে প্ৰত্যাহ্বানো সৃষ্টি কৰিব।

০০০০০০০০

সমাপ্ত